**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-10-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ আজি ছিংগাপুৰৰ তিনিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জাও’লাংছাত নাৰ্জাৰী নামৰ এই লোককেইজনক এছ্ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। এই সন্দৰ্ভত এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই কয়-

*(বাইট ঃ মুন্না)*

জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰো আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ভাষ্য গ্ৰহণ কৰা হয়।

ইপিনে মৰমী দাসৰ নেতৃত্বত এছ্ আই টিৰ এটা দল আজি জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ ভিছাৰা পৰীক্ষাৰ প্ৰতিবেদন সম্পৰ্কে পৰিয়ালক অৱগত কৰিছে। অৱশ্যে এই প্ৰতিবেদন সন্দৰ্ভত আৰক্ষীয়ে ৰাজহুৱাকৈ কোনো তথ্য সদৰি কৰা নাই। এই তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ গতিত আগবাঢ়িছে বুলি ইতিমধ্যে ৰাজ্য চৰকাৰে সদৰি কৰিছে।

উল্লেখযোগ্য যে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা এই তিনিজনৰ লগতে ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতা নামৰ প্ৰবাসী অসমীয়াজন এছ্ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন দিয়াৰ পাছত এছ্ আই টিৰ তদন্তই নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি উল্লেখ কৰি কম দিনৰ ভিতৰতে আদালতত সকলো কথা প্ৰকাশ কৰা হ’ব বুলি জানিবলৈ দিছে। এই ঘটনাৰ তদন্তক লৈ অসম চৰকাৰ, যিদৰে সক্ৰিয় হৈ আছে, সেইদৰে ছিংগাপুৰ আৰক্ষীয়েও সক্ৰিয়ভাৱে তদন্ত চলাই আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি সাতোজনৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শীঘ্ৰে অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ’ব।

ooooo

অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয়সমূহৰ উন্নীতকৰণৰ বাবে চাৰি হাজাৰ ২৮৭ কোটি টকা ব্যয়ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰিছে। আস্থা

শীৰ্ষক পৰিকল্পনাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইয়াৰ অধীনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক অত্যাধুনিক সা-সুবিধাৰে পুনৰ নিৰ্মাণ কৰা হ'ব। একেদৰে ডিব্ৰুগড় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ত স্মাৰ্ট ক্লাছ আৰু আধুনিক পৰীক্ষাগাৰ নিৰ্মাণ কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ত ডিজিটেল আৰু শৈক্ষিক উন্নয়নৰ বাবেও পদ লোৱা হৈছে। এই পৰিকল্পনাৰ অধীনত চিকিৎসক, নাৰ্চ আৰু পেৰামেডিকেল কৰ্মীসকলক প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যজুৰি **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টি ভিত্তিক স্বাস্থ্য শিবিৰ মুকলি কৰি চিকিৎসা সেৱা প্ৰদান কৰিছে। কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিত এই শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে কাইলৈ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হ'ব। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে ১৬ অক্টোবৰত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

বিশ্বনাথ জিলাত কাইলৈ বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ত এই শিবিৰৰ আয়োজন কৰা হৈছে। জিলা আয়ুক্ত সীমান্ত কুমাৰ দাস আৰু বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে জনোৱা মতে, এই শিবিৰৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

ooooo

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত ভাৰত নিশ্চিত বিজয়ৰ দিশে আগবাঢ়িছে। আজি চতুৰ্থ দিনৰ খেল শেষ হোৱাৰ পৰলৈকে ভাৰতে এটা উইকেটৰ বিনিময়ত ৬৩ ৰাণ সংগ্ৰহ কৰিছে। ভাৰতক এতিয়া জয়ৰ বাবে মাত্ৰ ৫৮ ৰানৰহে প্ৰয়োজন। ভাৰতৰ হাতত এতিয়াও ৯ টা উইকেট মজুত আছে।

চতুৰ্থ দিনৰ খেলৰ অন্তত কে এল ৰাহুল ২৫ আৰু সাই সূদৰ্শন ৩০ ৰানত অপৰাজিত হৈ থাকে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে নিজৰ দ্বিতীয় ইনিংছ ৩৯০ ৰানত সামৰে।

ooooo

ডিব্ৰুগড় জিলাৰ বৰবৰুৱা নিৱাসী সমাজসেৱীকা, ধৰ্মপ্ৰাণ মহিলা তথা ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী আলহাজ লিলি বেগমৰ যোৱা নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭৪ বছৰ। অসম সাহিত্য সভাৰ আজীৱন সদস্য, বৰবৰুৱা আৰক্ষী থানাৰ গাওঁৰক্ষী বাহিনীৰ প্ৰাক্তন সভানেত্ৰী, বৰবৰুৱা গাওঁ পঞ্চায়তৰ প্ৰাক্তন সদস্য হোৱাৰ লগতে তেখেত অঞ্চলটোৰ বিভিন্ন সামাজিক কামত জড়িত হৈ আছিল। লিলি বেগমৰ বিয়োগত বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**